# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-JAN-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

১। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ছুইজাৰলেণ্ডত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জুৰিখ বিমানবন্দৰত প্ৰবাসী ভাৰতীয়ৰ আদৰণি।

২। হত্যাকাণ্ডৰ অপৰাধত কামৰূপ জিলাৰ ৰঙিয়াৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতৰ ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ড।

৩। জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ বাবে শিখা শৰ্মা নামৰ এগৰাকী মহিলাক আৰক্ষীৰ আটক।

**আৰু**

৪। ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণৰ আৰম্ভণি।

ooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দেশখনলৈ গৈছে। মুখ্যমন্ত্ৰীক জুৰিখ বিমানবন্দৰত দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলে আন্তৰিকতাৰে আদৰণি জনায়। ড০ শৰ্মাই জুৰিখত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান চন্মুগৰত্নমক সাক্ষাৎ কৰি ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে মত বিনিময় কৰে। তেওঁ অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু আৰু বিশ্ববেংকৰ অধ্যক্ষ অজয় বাংগাকো সাক্ষাৎ কৰে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিছে। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হৈছে প্ৰথমগৰাকী অসমীয়া। এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে এই ফ'ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

ooooo

কামৰূপ জিলাৰ ৰঙিয়াৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি এটা ৰায়যোগে হত্যাকাণ্ডৰ অপৰাধত ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। লোক কেইজন হৈছে উত্তৰ গুৱাহাটীৰ ফুলুং গাঁৱৰ একেটা পৰিয়ালৰ তফাইল আহমেদ, ইলিজা বেগম, ৰুকিয়া ছিদ্দিকা আৰু লুতফুৰ ৰহমান। ২০১৮ চনৰ ১৬ জানুৱাৰীত এই লোক কেইজনে তেওঁলোকৰ পৰিয়ালৰ এজন সদস্যক হত্যা কৰা বুলি বাইহাটা চাৰিআলিৰ থানাত এজাহাৰ দাখিল কৰা হৈছিল। এই এজাহাৰৰ ভিত্তিত ৰুজু হোৱা গোচৰটোৰ ৮ বছৰজোৰা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আজি আদালতে ৰায় দিয়ে। গোচৰটোৰ সন্দৰ্ভত অধিবক্তাই সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (অধিবক্তা)**

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত শিখা শৰ্মা নামৰ এগৰাকী মহিলাৰ বিৰুদ্ধে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰিছে। মহিলাগৰাকীয়ে দীৰ্ঘদিন ধৰি জুবিন গাৰ্গ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক কথা লিখি আহিছিল। ইতিমধ্যে গৰিমা শইকীয়া গাৰ্গৰ এজাহাৰৰ ভিত্তিত পাণবজাৰ আৰক্ষীয়ে ইতিমধ্যে মহিলাগৰাকীক আটক কৰিছে। গুৱাহাটীৰ পাথৰকুৱেৰীৰ নিলাচল এপাৰ্টমেণ্টৰ পৰা আৰক্ষীয়ে তেওঁক আটক কৰে। আৰক্ষীয়ে বিতৰ্কিত মহিলাগৰাকীক আটক কৰাৰ পাছত গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমযোগে অসম আৰক্ষীক ধন্যবাদ জনাইছে। শিখা শৰ্মাৰ বিৰুদ্ধে এহাজাৰ দাখিল কৰি সাংবাদিকৰ আগত গৰিমা শইকীয়া গাৰ্গে এইদৰে কয়–

**বাইট (গৰিমা শইকীয়া গাৰ্গ)**

ইপিনে জুবিন গাৰ্গ ফেন ক্লাবৰ সদস্যসকলেও ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। পাঠশালা জুবিন গাৰ্গ ফেন ক্লাবে পাঠশালা থানাত এজাহাৰ দাখিল কৰি শিখা শৰ্মাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত কোনো যাতে সাৰি যাব নোৱাৰে তাৰো দাবী জনাইছে।

০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ অহা ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ অধীনত ৰাজ্যৰ ৭৫ হাজাৰ যুৱকে আত্মসংস্থাপনৰ বাবে ২ লাখ টকাকৈ লাভ কৰিব। সমগ্ৰ ৰাজ্যত ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত এই আঁচনিৰ পুঁজি বিতৰণ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

০০০০০

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ শেষকৃত্য আজি আবেলি নৱগ্ৰহ শ্মশানত বহু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত শিল্পীগৰাকীৰ দেহাৱসান ঘটে। ১৯৪০ চনত জন্মলাভ কৰা যশস্বী শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। আকাশবাণীৰ বি-হাই গ্ৰেড শিল্পী মিনতি খাউণ্ড শাস্ত্ৰীয় সংগীতৰ অন্যতম গুৰুৰূপে সমগ্ৰ দেশতে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অসম লোকসেৱা আয়োগৰ সদস্য পৱিত্ৰ ৰাম খাউণ্ড আৰু কন্যা বিশিষ্ট বেহেলাবাদক সুনীতা খাউণ্ড ভূঞাক এৰি থৈ যায়। যশস্বী শিল্পী খাউণ্ডৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বেহেলা বাদনেৰে অসমক প্ৰতিনিধিত্ব কৰি শিল্পীগৰাকীয়ে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছিল।

০০০০০

দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে আজি গোৱালপাৰা জিলাত উপস্থিত হৈ অভিলাষী জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে গোৱালপাৰাৰ বাপুজী নগৰত থকা আবু আল মজিদ নামৰ লোকজনৰ ছয়াবিনৰ পৰা উৎপাদিত দুগ্ধজাতীয় খাদ্য সামগ্ৰীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে উন্নত জাতৰ ছাগলী আৰু কুকুৰাৰ পামো পৰিদৰ্শন কৰে। এনেধৰণৰ কাম-কাজে জিলাখনৰ উন্নয়নত অৰিহণা যোগাব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ পূবৰ উন্নয়নত বিশেষ গুৰুত্ব দিয়া বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ে আজিৰে পৰা ২২ জানুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত উত্তৰ-পূব আঞ্চলিক ভাৰতীয় দক্ষতা প্ৰতিযোগিতা ২০২৫-২৬ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দেশৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্থিতি শক্তিশালী লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰা হ'ব। তেওঁলোকে ২৬টা বিভাগৰ দক্ষতা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীয়ে আজি এই প্ৰতিযোগিতা উদ্বোধন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগৰ ক্ষেত্ৰত উদ্যমিতাৰ বিকাশ, প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধি আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ প্ৰয়াস কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে বিষয়ে প্ৰকাশ কৰি এই প্ৰতিযোগিতাই দক্ষতা বিকাশৰ জৰিয়তে যুৱ সমাজৰ সম্ভাৱনাক উন্মোচিত কৰাৰ লগতে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০

সমাপ্ত